*Total number of pages—8*

**27T ADAS**

# 2017

# ADVANCE ASSAMESE

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

Contd.

১। (ক) বৰ্ষাকালৰ বৰ্ণনাৰ মাজেৰে শংকৰদেৱে ভক্তি ধৰ্মৰ তাত্ত্বিক কথাবোৰ কিদৰে বৰ্ণনা কৰিছে, লিখা। ৫

*অথবা*

(খ) 'ই যে অগ্নি-বীণাৰ তান' কবিতাটিত প্ৰকাশ পোৱা স্বদেশপ্ৰেমৰ আভাস দাঙি ধৰা। ৫

২। প্ৰসংগ-সংগতি দৰ্শাই তলৰ *যিকোনো এছোৱা* ব্যাখ্যা কৰা ঃ ১+৩=৪

(ক) মানুহৰ মৰম বুজিবা মানুহে
ধৰম যে মৰমতে।

(খ) ধনকে মাথোন চিনি মৰম নিচিনা হ'ল
ধনেই কেৱল হ'ল
দয়া-স্নেহ মূলতে সবাৰে।

৩। (ক) নিজ মনে গাই গাই বিৰহৰ কৰুণ সংগীত
সমস্ত জগত ঘূৰি নিজ মনে ফুৰিছোঁ বিচাৰি,

— কবিয়ে কিদৰে বিৰহৰ কৰুণ সংগীত গাই ঘূৰি ফুৰিছে, লিখা। ৩

(খ) অহৰহ আছে বৈ,
সুৰধনী গংগা,
ময়ো উদাসী আছোঁ
কাঞ্চনজংঘা।

— কবিয়ে ইয়াত 'সুৰধনী গংগা' আৰু 'কাঞ্চনজংঘা'ৰ কি কথা কৈছে ? ৩

(গ) প্ৰথম আধুনিক অসমীয়া কবিতাটোৰ নাম কি ? ইয়াৰ ৰচকৰ নাম লিখা। ১+১=২

৪। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া ঃ ১×৩=৩

(ক) মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ৰচনা কৰা শ্ৰেষ্ঠ গ্ৰন্থখনৰ নাম কি ?

(খ) 'জোনাকী' কাকত কিমান খ্ৰীষ্টাব্দত প্ৰথম প্ৰকাশ পায় ?

(গ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম হোৱা ঠাইখনৰ নাম কি ?

৫। (ক) অসমীয়া সাহিত্যলৈ বুৰঞ্জী কোন জনগোষ্ঠীৰ দান ? বুৰঞ্জী লেখিবলৈ গৈ বহুতে কিদৰে ভুল কৰে ? 'বুৰঞ্জীৰ দৌৰাত্ম্য' নামৰ পাঠটিৰ আধাৰত আলোচনা কৰা। ৫

*অথবা*

(খ) বিহুৰ উৎপত্তি আৰু বিহু নৃত্য সম্বন্ধে বিভিন্নজনে আগবঢ়োৱা মন্তব্যসমূহ আলোচনা কৰা। ৫

৬। 'শংকৰ উদাৰ আৰু মাধৱ গভীৰ' — এই মন্তব্যৰ আধাৰত দুয়োজনা মহাপুৰুষৰ জীৱন দৰ্শন সম্পৰ্কে চমুকৈ লিখা। ৩

৭। (ক) তলৰ *যিকোনো দুটাৰ* বিষয়ে চমুটোকা লিখা ঃ ২+২=৪

বেদ, লক্ষ্মীধৰ শৰ্মা, ৰজনীকান্ত বৰদলৈ, বাঁহী।

(খ) চমু উত্তৰ দিয়া ঃ ১×৩=৩

(অ) ন্যায় দৰ্শনৰ প্ৰণেতা কোন ?

(আ) বিহু নাচ আৰু গীত সম্পৰ্কে কোনখন অসমীয়া উপন্যাসত বৰ্ণনা আছে ?

(ই) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা উপন্যাসখনৰ নাম কি ?

৮। 'কপিলীপৰীয়া সাধু' উপন্যাসত বৰ্ণিত বানপানীৰ দৃশ্য তোমাৰ নিজৰ ভাষাৰে বৰ্ণনা কৰা। ৬

৯। (ক) ৰূপাই কোন ? তেওঁৰ চাৰিত্ৰিক কাৰ্যকলাপৰ বিষয়ে চমুকৈ লিখা। ১+৩=৪

(খ) তলৰ ***যিকোনো দুটাৰ*** বিষয়ে চমুকৈ লিখা ঃ ৩× ২=৬

গোসাঁই পুখুৰী, ভাঙুৰী ভকত, হাৰিয়া, চামগুৰীয়া।

১০। (ক) 'মোৰ কথাবোৰ বাৰু বেঁকা — তই চিধা বাট ল।'

— কোনে, কাক এনেকৈ কৈছিল ? ১+১=২

(খ) 'কপিলীপৰীয়া সাধু' কোন শ্ৰেণীৰ সাহিত্য ? ইয়াৰ লেখক কোন ? ১+১=২

১১। (ক) বলোৰাম মেধি কোন ? তেওঁ কিয় হাতী কিনিছিল ? হাতীটো পিছত কি হ'ল ? ২+১+২=৫

*অথবা*

(খ) 'আমাৰ ছাৰ' গল্পটোৰ লেখক কোন ? আমাৰ ছাৰ গল্পৰ ছাৰ চৰিত্ৰটোৰ বিষয়ে চমুকৈ লিখা। ১+৪=৫

১২। (ক) 'সিটো কেৱল এটা হাতী নহয়, কেৱল এটা অভিজাত বাহনো নহয়, সি যে তেওঁৰ জীৱনৰ সাফল্যৰ প্ৰতীক।' — ইয়াত হাতীৰ বিষয়ে কোৱা কথাখিনি কাৰ জীৱনৰ প্ৰসংগত কোৱা হৈছে ? কথাখিনিৰ তাৎপৰ্য ব্যাখ্যা কৰা। ১+২=৩

(খ) হোমেন বৰগোহাঞিদেৱে ৰচনা কৰা এটি গল্প সংকলনৰ নাম লিখা। ১

(গ) দ্বিতীয় মহাসমৰৰ পটভূমিত ৰচনা কৰা যোগেশ দাসৰ উপন্যাসখনৰ নাম লিখা। ১

১৩। (ক) চুটি গল্প বুলিলে কি বুজা ? ইয়াৰ *দুটা* বৈশিষ্ট্যৰ বিষয়ে লিখা। ৪

*অথবা*

(খ) চুটি গল্প আৰু উপন্যাসৰ পাৰ্থক্যৰ বিষয়ে আলোচনা কৰা। ৪

১৪। তলৰ *যিকোনো দুটাৰ* বিষয়ে চমুকৈ লিখা ঃ ৩× ২=৬

(ক) চুটি গল্প আৰু সাধুকথাৰ পাৰ্থক্য

(খ) উপন্যাসৰ চৰিত্ৰ

(গ) কাল্পনিক উপন্যাস

(ঘ) চুটি গল্পৰ আৰম্ভণি আৰু পৰিসমাপ্তি।

১৫। (ক) সাহিত্যত অলংকাৰৰ প্ৰয়োজন কি ? শব্দালংকাৰ আৰু অৰ্থালংকাৰ কাক বোলে ? উদাহৰণসহ বুজাই লিখা। ২+২+২=৬

(খ) তলৰ *যিকোনো দুবিধ* অলংকাৰৰ সূত্ৰ লিখি উদাহৰণ দিয়া ঃ ২+২=৪

উপমা, শ্লেষ, অপ্ৰস্তুত প্ৰশংসা, যমক।

১৬। (ক) অসমীয়া চুটি গল্পৰ জনক কোন ? তেওঁৰ চমু পৰিচয় দি তেওঁ ৰচনা কৰা চুটি গল্প পুথিসমূহৰ নাম লিখা। ১+২+৩=৬

(খ) অসমীয়া উপন্যাস সাহিত্যলৈ পদ্মনাথ গোহাঞিবৰুৱাৰ অৱদান সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ৫

(গ) চমু উত্তৰ দিয়া ঃ $১\times ৪=৪$

(অ) শৰৎচন্দ্ৰ গোস্বামীৰ এখন গল্প পুথিৰ নাম লিখা।

(আ) নিৰ্মল ভকত উপন্যাসখন কোনে লিখিছিল ?

(ই) 'অপূৰ্ণ' শীৰ্ষক উপন্যাসখনৰ ৰচক কোন ?

(ঈ) অসমীয়া সাহিত্যত প্ৰথম উপন্যাস কোনে ৰচনা কৰে ?

——×——